**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ৰাজ্যৰ বেংকসমূহৰ ঋণ-জমা অনুপাত ৰাষ্ট্ৰীয় মান ৮০ শতাংশলৈ উন্নীত কৰাৰ ক্ষেত্ৰত সহযোগ কৰিবলৈ এছ বি আইকে ধৰি বেংকসমূহলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

২। লামডিং-বদৰপুৰ পাহাৰ ৰে'ল লাইনৰ মুপা-দিহাখো ষ্টেচনৰ মাজত হোৱা ভূমিস্খলনৰ ফলত কাইলৈ পৰ্যন্ত কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল।

৩। বতৰৰ পূৰ্বাভাস দিয়াত সহায়ক হোৱাকৈ কেন্দ্ৰীয় চৰকাৰৰ পাণ্ডু, শিলঘাট, বিশ্বনাথ আৰু বগীবিলত লাইট হাউছ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ।

৪। ধুবুৰী জিলাৰ দখলীকৃত প্ৰায় তিনি হাজাৰ ৫০০ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান। **আৰু**

৫। ১৯ বছৰ অনূৰ্ধ্বৰ যুথ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ৩-২ ব্যৱধানত জয়লাভ।

০০০০০০

ৰাজ্যৰ বেংকসমূহৰ ঋণ-জমা অনুপাত পূৰ্বৰ ৩২ শতাংশৰ পৰা বিগত বিত্তীয় বৰ্ষত ৭০ শতাংশলৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰত ভাৰতীয় ষ্টেট বেংক, পঞ্জাব নেচনেল বেংক, চেণ্ট্ৰেল বেংক অব ইণ্ডিয়া আৰু ইণ্ডিয়ান বেংকৰ শীৰ্ষ বিষয়াৰ সৈতে এখন বৈঠকত মিলিত হোৱাৰ সময়ত এই কথা প্ৰকাশ কৰে। তেওঁ বেংকৰ ঋণ জমা অনুপাত ৰাষ্ট্ৰীয় মান ৮০ শতাংশলৈ উন্নীত কৰাৰ বাবে বেংকসমূহৰ সহযোগিতা কামনা কৰে। এই দিশত ৰাজ্য চৰকাৰে যাৱতীয় সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ পূৰ্বৰ অশান্তিময় পৰিস্থিতিৰ অৱসান ঘটিছে আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি বিগত বৰ্ষত দেশৰ ৰাজ্যসমূহৰ ভিতৰত অসমে তৃতীয় দ্ৰুত বিকশিত ৰাজ্য হিচাপে পৰিগণিত হৈছে। অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৩ৰ পৰা ১৪ শতাংশকৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্যৰ এনে পৰিৱৰ্তিত পৰিৱেশত যুৱ প্ৰজন্মই স্ব-নিয়োজনৰ অধিক সুযোগ লাভ কৰা উচিত। এইক্ষেত্ৰত বেংকসমূহৰ সহযোগিতাই যুৱ প্ৰজন্মক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাত সহায় কৰাৰ উপৰি ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই বৈঠকত কৃষক সমাজ উপকৃত হ'ব পৰাকৈ কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদানৰ বাবে বেংকৰ স্থানীয় শাখাসমূহক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। কালিৰ বৈঠকত বিত্ত বিভাগে ৰাজ্যত বিত্তীয় অন্তৰ্ভুক্তিৰ শেহতীয়া স্থিতি, বেংকসমূহৰ ঋণ জমা অনুপাত, বেংক শাখাৰ নেটৱৰ্ক, এ টি এম নেটৱৰ্ক, গ্ৰাহক সেৱা কেন্দ্ৰৰ নেটৱৰ্কৰ উপৰি ৰাজ্য চৰকাৰৰ কেইবাখনো উন্নয়নমূলক আঁচনিৰ কামকাজ সন্দৰ্ভত উপস্থিপন কৰে।

০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং-বদৰপুৰ পাহাৰ ৰে'ল লাইনৰ মুপা-দিহাখো ষ্টেচনৰ মাজত কালি পুৱাৰ ভাগত হোৱা ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত কাইলৈ পৰ্যন্ত কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল কৰা হৈছে। অৱশ্যে কালি মুপা-দিহাখো ষ্টেচনৰ মাজত পাহাৰৰ পৰা খহি পৰা মাটি আৰু শিল আঁতৰাই আগৰতলা-

ৰাণী-কমলাপতি স্পেচিয়েল এক্সপ্ৰেছ আৰু শিলচৰ-ছিয়ালদহ-কাঞ্চনজংঘা এক্সপ্ৰেছ বিপজ্জনক পৰিস্থিতিত চলাচল কৰোৱা হয়। গুৱাহাটী-শিলচৰ পথৰ কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল নাইবা সময় সাল-সলনি কৰা হৈছে। এনে পৰিস্থিতিত কালি ৰাজ্যসভাৰ সাংসদ কনাড পুৰকাযস্থৰ নেতৃত্বৰ এটা দলে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধক চেতন শ্ৰীবাস্তৱক সাক্ষাৎ কৰে। ভূমিস্খলনৰ পৰিস্থিতি আৰু ৰে'লৰ যাত্ৰা বাতিল সন্দৰ্ভত এয়া শিলচৰৰ পৰা আমাৰ সংবাদদাতা আঁখিৰাণী দাস-

*(বাইট ঃ আখিৰাণী)*

ইপিনে জাতিংগা-শিলচৰ ৰাষ্ট্ৰীয় ঘাইপথত ভূমিস্খলনৰ ফলত যান-বাহনৰ চলাচল বন্ধ হৈ পৰিছিল যদিও কালি ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণ কৰ্তৃপক্ষই সামগ্ৰী পৰিবাহী বাহনসমূহ লাহে লাহে পাৰ কৰোৱাৰ ব্যৱস্থা কৰে। উল্লেখযোগ্য যে এই পথটো বন্ধহৈ পৰাৰ ফলত বৰাক উপত্যকাৰ উপৰি ত্ৰিপুৰা-মিজোৰাম আৰু মণিপুৰৰ বিভিন্ন অঞ্চলত অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনিয়ে দেখা দিছে। অৱশ্যে পথটোৰ এটা অংশ মুকলি হোৱাৰ ফলত কিছু সকাহ পোৱাৰ সম্ভাৱনা আছে।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ জলপথৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫ হাজাৰ কোটি টকা ব্যয় কৰিব। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ সুদৃঢ় কৰাৰ উপৰি সামুদ্ৰিক খণ্ডত অঞ্চলটোৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ বাবে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। গুৱাহাটীত কালি এখন সংবাদমেলত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰি কয়, যে ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া সামুদ্ৰিক উৎকৰ্ষতা কেন্দ্ৰত অনাগত ১০ বছৰত ৫০ হাজাৰ ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিয়া হ'ব। চৰকাৰে শিলঘাট-নিমাতী-বিশ্বনাথ ঘাট আৰু গুইজানত ৩০০ কোটি টকাৰ বিনিয়োগৰ আঁচনিও গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, যে নদী জলপথেৰে জাহাজৰ বছৰজোৰা নিৰৱচ্ছিন্ন আৰু সুচল চলাচলৰ বাবে নদী খননৰ ব্যৱস্থা কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে পাণ্ডু, শিলঘাট, বিশ্বনাথ আৰু বগীবিলত লাইট হাউছ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণৰ কথা উল্লেখ কৰি শ্ৰীসোণোৱালে কয়, যে সময়োচিত বতৰ নিৰীক্ষণ ব্যৱস্থাৰ সৈতে ইয়াক একত্ৰিত কৰা হ'ব। ইয়াৰ ফলত পৰ্যটনৰ প্ৰসাৰৰ লগতে অসমৰ স্থানীয় বতৰৰ পূৰ্বাভাষ দিয়াটো সহায়ক হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

*(বাইট ঃ সৰ্বানন্দ সোণোৱাল)*

তেওঁ লগতে বিশ্বৰ আগশাৰীৰ ল'জিষ্টিক কোম্পানী ৰেনাছে চলিত বৰ্ষতে ব্ৰহ্মপুত্ৰ আৰু বৰাকত পৰিৱেশ অনুকূল নাও চলোৱা আৰম্ভ কৰিব বুলি জানিবলৈ দিয়ে। যাত্ৰী আৰু মালবাহী জাহাজ চলাচল বৃদ্ধিৰ বাবে জলপথসমূহক উন্নত কৰিবলৈ উত্তৰ-পূৰ্বাঞ্চলত ৮৫টা কমিউনিটি জেটি নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও শ্ৰীসোণোৱালে প্ৰকাশ কৰে।

সংবাদমেলত শ্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১১ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে ছয় লাখ কোটিৰো অধিক আৰ্থিক অনুদান প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে। শ্ৰী মোদীৰ **পৰিবহণৰ জৰিয়তে পৰিৱৰ্তন**ৰ মূলমন্ত্ৰই উত্তৰ-পূৰ্বাঞ্চলক সমৃদ্ধ কৰি তোলাৰ লগতে এক্ট-ইষ্ট নীতিৰ জৰিয়তে সমগ্ৰ অঞ্চলটো বৰ্তমান দক্ষিণ-পূব এছিয়াৰ কেন্দ্ৰবিন্দু হৈ পৰিছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

ধুবুৰী জিলাৰ দখলীকৃত ভূমিত আজি উচ্ছেদ অভিযান আৰম্ভ হৈছে। জিলাখনৰ চাপৰৰ প্ৰায় তিনি হাজাৰ ৫০০ বিঘা ভূমি সামৰি আজি উচ্ছেদ কৰা হ'ব। উচ্ছেদ কৰা অঞ্চলৰ লোকসকলক চৰকাৰে উপযুক্ত

ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা কৰিছে। একেদৰে ১০ জুলাইৰ পাছত গোৱালপাৰাৰ পাইকান বনাঞ্চলত উচ্ছেদ অভিযান চলোৱা হ'ব। গোৱালপাৰা জিলা বন সংমণ্ডল বিষয়া তেজছ মৰিস্বামীয়ে প্ৰকাশ কৰা মতে ২০২৩ বৰ্ষৰ পৰা এতিয়ালৈ জিলাখনৰ চাৰিটা বনাঞ্চলিক এলেকাৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চলৰ ৬৫০ হেক্টৰ ভূমি দখলমুক্ত কৰা হৈছে। ইয়াৰে ২০০ হেক্টৰ ভূমিত জনবসতি থকাৰ লগতে বাকী ভূমিত বিভিন্ন শস্যৰ খেতি কৰা হৈছিল। শেহতীয়াকৈ কৃষ্ণাই বনাঞ্চলিক এলেকাৰ অন্তৰ্গত পাইকান সংৰক্ষিত বনাঞ্চলৰ ১৪০ হেক্টৰ ভূমি দখলমুক্ত কৰাৰ বাবে বন বিভাগে ব্যৱস্থা লৈছে। অঞ্চলটোত থকা এহেজাৰ ৮০টা পৰিয়ালক যোৱা বছৰৰ ডিচেম্বৰত অঞ্চলটো খালী কৰাৰ বাবে জাননী দিয়া হৈছিল। শেহতীয়াকৈ অহা ১০ জুলাইৰ পূৰ্বে এই লোকসকলক অঞ্চলটো খালী কৰিবলৈ জাননী দিয়া হৈছিল যদিও খালী নকৰিলে শীঘ্ৰেই উচ্ছেদ অভিযান চলোৱা হ'ব বুলি বন বিষয়াগৰাকীয়ে প্ৰকাশ কৰিছে। .......... ***বাইট***

০০০০০০

শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰে'লৰ দলং নিৰ্মাণৰ কাম অহা ছেপ্তেম্বৰত আৰম্ভ হ'ব। দুখলপীয়া ৰে'লৰ দলংখনত দ্বৈত ৰে'লপথ আৰু তিনিটা লেনযুক্ত পথ থাকিব। ৰে'ল বিভাগে ইতিমধ্যে ইয়াৰ বাবে নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু এই কাম সমাপ্ত হোৱাৰ পাছতে দলং নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্ক ৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে।

২০২৯ চনৰ ডিচেম্বৰত এই দলংখন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। আজ্ঞাঠুৰি আৰু কামাখ্যা সংযোগী এই ৰে'ল দলংখনৰ নিৰ্মাণৰ ব্যয় এহেজাৰ ৪৭৭ কোটি টকা ধাৰ্য কৰা হৈছে বুলি তেওঁ কয়। ............. ***বাইট***

০০০০০০

গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল শেহতীয়াকৈ বানৰ কবলত পৰিছে। জিলাখনৰ ধনশিৰি, কাকডোঙাকে ধৰি কেইবাখনো নৈৰ জলস্তৰ বৃদ্ধি পোৱাত পাঁচটা ৰাজহচক্ৰৰ ভালেমান অঞ্চল প্লাবিত হৈছে। বিগত কিছুদিন ধৰি চুবুৰীয়া ৰাজ্য নাগালেণ্ডত ধাৰাষাৰ বৰষুণৰ ফলত সৰুপথাৰ, খুমটাই, নুমলীগড়, মৰঙীকে ধৰি দুকুৰিৰো অধিক গাঁও জলমগ্ন হৈছে। জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ লগতে অন্যান্য বিভাগসমূহে কালি বিয়লি পৰ্যন্ত জিলাখনত ১৯ টা সাহায্য শিবিৰ মুকলি কৰে। জিলাখনৰ আয়ুক্ত পুলক মহন্তই বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি কালি পৰিস্থিতিৰ বুজ লয়। তেওঁ কালিয়নি নৈৰ দলংখনৰ তলত জমা হোৱা আৱৰ্জনা নিস্কাষণ প্ৰক্ৰিয়াও পৰিদৰ্শন কৰে। জিলা প্ৰশাসনৰ তথ্য অনুসৰি সৰুপথাৰ ৰাজহচক্ৰৰ ১৬ খন গাঁৱৰ এহেজাৰ ৪৫৭ গৰাকী লোক এই বানত ক্ষতিগ্ৰস্ত হৈছে। বিভিন্ন স্থানত মুকলি কৰা আশ্ৰয় শিবিৰত ৩৭৮ গৰাকী লোকে আশ্ৰয় লোৱাৰ লগতে এহেজাৰ ৭৯ জন লোকে অন্য নিৰাপদ স্থানত আশ্ৰয় লৈছে। কালি বিধায়ক বিশ্বজিৎ ফুকনে সৰুপথাৰ অঞ্চলৰ বান ক্ষতিগ্ৰস্ত ৰাইজৰ অৱস্থাৰ বুজ লয়।

ইপিনে কাৰ্বি পাহাৰৰ পৰা বৈ অহা ঢলে হোজাই জিলাৰ দবকাৰ দক্ষিণগাঁও অঞ্চল প্লাবিত কৰিছে। দবকা পৌৰ সভাৰ পাঁচ নম্বৰ ৱাৰ্ডত মথাউৰি ছিগি যোৱাৰ ফলত বিস্তৃৰ্ণ অঞ্চল প্লাবিত হৈছে। কালি পুৰা দবকাৰ কছাৰীপাৰ বুঢ়িগাঁও সংযোগী যমুনা নদীৰ ওপৰত থকা কাঠৰ দলংখন বানত উটি যোৱাৰ ফলত যোগাযোগ বিচ্ছিন্ন হয়। অঞ্চলটোৰ দীঘল জাৰুনি গাঁওখন সম্পূৰ্ণৰূপে প্লাবিত হোৱাত বহু পৰিয়াল বিপদৰ সন্মুখীন হৈছে।

০০০০০০

কোকৰাঝাৰ জিলাৰ অসম-পশ্চিমবংগৰ সীমান্ত অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰা আৰ টি আই কৰ্মী দিলীপ নাথক আজি তেজপুৰ আদালতত হাজিৰ কৰোৱা হ'ব। ঢেকীয়াজুলি আৰক্ষীয়ে গোসাঁইগাঁও আৰক্ষীৰ সহযোগত পশ্চিমবংগৰ পৰা অসমত প্ৰৱেশ কৰাৰ সময়তে দিলীপ নাথক গ্ৰেপ্তাৰ কৰে। যোৱা নিশা দিলীপ নাথৰ বাসগৃহতো আৰক্ষীয়ে অভিযান চলায়। ইয়াৰ পূৰ্বে তেওঁক গোসাঁইগাঁও সদৰ থানালৈ নি ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰাই শোণিতপুৰলৈ নিয়া হৈছিল। এটা ব্যক্তিগত টেলিভিছন চেনেলৰ সাংবাদিকক আক্ৰমণ কৰাৰ অভিযোগত দিলীপ নাথৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল। ইফালে দিলীপ নাথৰ গ্ৰেপ্তাৰ সন্দৰ্ভত কালি কোকৰাঝাৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে সাংবাদিকক আক্ৰমণ কৰা কোনো লোককে ৰেহাই দিয়া নহ'ব। তেওঁক আৰ টি আই কৰ্মী হিচাপে গ্ৰেপ্তাৰ কৰা হোৱা নাই বৰঞ্চ সাংবাদিক আক্ৰমণকাৰী হিচাপেহে গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ নেপালত আত্মগোপন কৰি আছিল বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্বৰ দলটোৱে ইংলেণ্ডৰ ১৯ বছৰ অনূৰ্ধ্বৰ দলটোক ৩-২ ব্যৱধানত পৰাস্ত কৰি ৫ খনীয়া য়ুথ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলা জয় কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ইংলেণ্ডে আলহী দল ভাৰতক ৭ উইকেটত পৰাস্ত কৰে। ৱৰছেষ্টাৰৰ কাউণ্টি খেলপথাৰত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আয়ুষ মাহাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২১০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ আৰ এছ অম্বৃছে ৬৬ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত ঘৰুৱা দলটোৱে অপেনাৰদ্বয় বেন ডাউকিন্স আৰু বেন মেইজে সংগ্ৰহ কৰা ৬৬ আৰু ৮২ ৰানৰ সহায়ত তিনিটা উইকেট হেৰুৱাই ৩২ সংখ্যক অভাৰতে বিজয় লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ নমন পুষ্পকে দুটা আৰু দিপেছ দেৱেন্দ্ৰনে এটা উইকেট দখল কৰে।

দুয়োটা দলৰ মাজত ইয়াৰ পাছত দুখন টেষ্ট খেল অনুষ্ঠিত হ'ব। শৃংখলাৰ প্ৰথমখন খেল ১২ জুলাইত বেকেনহামত আৰম্ভ হ'ব।

০০০০০০

উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বহনক্ষম উন্নয়নৰ লক্ষ্যৰে নীটি আয়োগে প্ৰকাশ কৰা তালিকাত অঞ্চলটোৰ শীৰ্ষ দহখন জিলাৰ ভিতৰত অসমৰ এখন জিলাও স্থান লাভ কৰিবলৈ সমৰ্থ নহ'ল। ইয়াৰ বিপৰীতে মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ তিনিখনকৈ জিলাই এই তালিকাত স্থান পাইছে। বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

অসমৰ সকলো বিদ্যালয়তে খোৱাপানী, ছাত্ৰীৰ শৌচাগাৰৰ ব্যৱস্থা নাই। ৰাজ্যখনত শিক্ষাৰ অধিকাৰ আইন এতিয়াও বাস্তৱত পৰিণত হোৱা নাই। ২২২ খন গাঁৱত বৰ্তমানো এখন প্ৰাথমিক বিদ্যালয় নাই। এই তথ্যৰে দৈনিক অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত ব্ৰীকছ শীৰ্ষ সন্মিলনে সন্ত্ৰাসবাদক প্ৰশ্ৰয় নিদিয়াৰ নীতিত ঐক্যমত পোষণ কৰিছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে সন্ত্ৰাসবাদ মানৱতাৰ আটাইতকৈ ডাঙৰ ভাবুকি বুলি প্ৰকাশ কৰিছে। এই বাতৰি দৈনিক জনমভূমি কাকতৰ।

আমাৰ অসম কাকতে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ এটা মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে। বাতৰি অনুসৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দেশত দৰিদ্ৰৰ সংখ্যা ক্ৰমশ বৃদ্ধি পোৱাৰ লগতে ধনাঢ্যই বিশাল সম্পত্তিৰ পাহাৰ গঢ়িছে বুলি প্ৰকাশ কৰিছে।

জলপথৰ উন্নয়ন সাধনেৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৫০ হাজাৰ যুৱক-যুৱতীক সামুদ্ৰিক খণ্ডত নিয়োজিত কৰাৰ লক্ষ্য লোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এই ঘোষণাৰে দৈনিক অগ্ৰদূত  কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

অসমৰ বৌদ্ধিক ক্ষেত্ৰখনত শূন্যতাৰ সৃষ্টি কৰি বিশিষ্ট শিক্ষাবিদ, ইতিহাসবিদ উদয়াদিত্য ভৰালীৰ বিয়োগ তথা শেষকৃত্য সম্পন্নৰ বাতৰিটো অন্যান্য কাকতৰ লগতে নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে বিশ্ববেংকৰ প্ৰতিবেদনৰ এটা উদ্বেগজনক তথ্যৰে বাতৰি প্ৰকাশ কৰিছে। প্ৰতিবেদনৰ মতে দেশৰ ২৮ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। ইপিনে ৩৫ কোটিতকৈ অধিক বাসিন্দাই পুষ্টিহীনতাত ভুগিছে।

ইজৰাইলৰ সেনাই য়েমেনৰ হুথী বিদ্ৰোহীক আক্ৰমণ কৰিছে। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতৰ। কাকতখনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দালাই লামাৰ জন্মদিনত ধৰ্মগুৰুগৰাকীৰ প্ৰতি শুভেচ্ছা জনোৱা কাৰ্যত চীনে প্ৰতিবাদ কৰাৰ আন এটা বাতৰিও প্ৰকাশ কৰিছে।

উত্তৰ-পূবৰ জলপথ উন্নীত কৰাৰ বাবে কেন্দ্ৰই ৫ হাজাৰ কোটি টকা বিনিয়োগ কৰিব। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উদ্ধৃতিৰে এই বাতৰিটো দা ছেন্টিনেল কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত এভুমুকি—

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত